# **Regional News Unit**

Akashvani, Guwahati

0000000000

**Date :** 26-07-2024

**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

# **HeadlineS**

১। চৰাইদেউ মৈদামৰ ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ। প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰীকে ধৰি বিভিন্নজনৰ আনন্দ আৰু গৌৰৱ প্ৰকাশ।

২। ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ লক্ষ্য প্ৰাপ্তিৰ অংশ হিচাপে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ৪৬৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান।

৩। সমগ্ৰ দেশত ২৫ সংখ্যক কাৰ্গিল বিজয়  দিৱস পালন। গোলাঘাটত বীৰচক্ৰ কেপ্টেইন জিণ্টু গগৈৰ সমাধি ক্ষেত্ৰত বিশেষ কাৰ্যসূচী।

৪। ভাৰতীয় সময় অনুসৰি আজি নিশা ১১ বজাত  পেৰিছ্ অলিম্পিকৰ বহুপ্ৰত্যাশিত উদ্বোধনী অনুষ্ঠান। বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু টেবল টেনিছ খেলুৱৈ শৰথ কমলৰ ভাৰতীয় দলৰ পতাকা বহন।

*আৰু*

৫। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ।

০০০

ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সংস্কৃতি সংস্থা চমুকৈ ইউনেস্ক'ৱে আজি চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে ঘোষণা কৰে। এই ঘোষণাৰ লগে লগে সাংস্কৃতিক শ্ৰেণীত মৈদাম ক্ষেত্ৰখন উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু ভাৰতবৰ্ষৰ ৪৩ সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। চৰাইদেউ জিলাত অৱস্থিত চৰাইদেউ মৈদাম ক্ষেত্ৰক অসমৰ পিৰামিড হিচাপে অভিহিত কৰা হয় আৰু এই ক্ষেত্ৰখনত ৯০ গৰাকীতকৈও অধিক আহোম ৰাজ পৰিয়ালৰ লোকক সমাধিস্থ কৰা হৈছে। ১৩শ শতিকাৰ পৰা ১৮শ শতিকাৰ আহোম ৰাজত্বকালৰ সময়ছোৱাত এই ক্ষেত্ৰখন ৰাজ পৰিয়ালৰ লোকসকলক সমাধি দিয়াৰ বাবে

ব্যৱহাৰ কৰা হৈছিল। এই ক্ষেত্ৰখনে আহোম ৰাজত্বৰ সুকীয়া ঐতিহ্য বহন কৰি আহিছে। এনে এখন ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যদা প্ৰদান কৰাৰ লগে লগে সমগ্ৰ ভৰতবাসী উৎফুল্লিত হৈছে। চৰাইদেউ মৈদাম ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনন্দ আৰু গৌৰৱ প্ৰকাশ কৰিছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকা সন্দৰ্ভত ইউনেস্ক'ৰ পূৰ্বে উল্লেখিত এক্সৰ এটা পোষ্টৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ বাবে এয়া অপৰিসীম আনন্দ আৰু গৌৰৱৰ বিষয়। তেওঁ লগতে কয় যে, চৰাইদেউ মৈদামবোৰে পূৰ্বপুৰুষৰ প্ৰতি সৰ্বোচ্চ শ্ৰদ্ধা তৰ্পণৰ গৌৰৱময় আহোম সংস্কৃতি প্ৰদৰ্শন কৰি আহিছে। বিশ্ব ঐহিত্যৰ তালিকাত স্থান লাভৰ পাছত মহান আহোম শাসন আৰু সংস্কৃতিৰ বিষয়ে অধিক লোকে জানিব পাৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰাইদেউ মৈদামে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ কৰাটো অসমৰ বাবে স্মৰণীয় দিন হিচাপে উল্লেখ কৰে। এয়া অসমৰ বাবে এটা বৃহৎ প্ৰাপ্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, চৰাইদেউ মৈদাম হৈছে অসমৰ টাই-আহোম জনগোষ্ঠীৰ গভীৰ আধ্যাত্মিক বিশ্বাস, চহকী ঐতিহ্য আৰু স্থাপত্য ভাস্কৰ্যৰ অপূৰ্ব নিদৰ্শন। এই প্ৰাপ্তিৰ জৰিয়তে কাজিৰঙা আৰু মানস ৰাষ্ট্ৰীয় উদ্যানৰ পাছত চৰাইদেউ মৈদাম বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত হোৱাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰ হোৱা বুলি তেওঁ প্ৰকাশ কৰে।

ইফালে চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰ স্বীকৃতি প্ৰদান কৰাৰ পাছত চৰাইদেউবাসী উৎফুল্লিত হৈ পৰে। জিলাখনৰ জনসাধাৰণে আনন্দ-উল্লাসৰ মাজেৰে শুভসংবাদটো উদযাপন কৰে। এই সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰী যোগেন মহনে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অশেষ প্ৰচেষ্টাত চৰাইদেউ মৈদামে এই সন্মান লাভ কৰিছে। ইয়াৰ জৰিয়তে চৰাইদেউ মৈদামে বিশ্ব পৰ্যটন মানচিত্ৰত স্থান লাভ কৰিব বুলি তেওঁ প্ৰকাশ কৰে। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰা শুভক্ষণত চৰাইদেউ মৈদামত উপস্থিত হৈ ঐতিহ্যমণ্ডিত আহোম শাসনৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ কৰাৰ দিনটোত ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। অসম গণ পৰিষদ দলে এই বিশেষ ক্ষণত অসমবাসীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। তদুপৰি দলটোৱে এই স্বীকৃতি যাত্ৰাত অৰিহণা যোগোৱা সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ কৰাৰ পাছত বিষয়টো সন্দৰ্ভত আমাৰ সংবাদদাতা নবুল কোঁৱৰে এইদৰে কয়-

***ঃঃ ভইচ ঃঃ***

ধন্যবাদ।

০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্য চৰকাৰে অব্যাহত ৰখা এক লাখ নিযুক্তিৰ লক্ষ্য প্ৰাপ্তিৰ যাত্ৰাক এখোজ আগুৱাই ৪৬৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ

কলাক্ষেত্রত আয়োজিত অনুষ্ঠানত এই প্ৰাৰ্থীসকলক শিক্ষা, শক্তি আৰু তথ্য-জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰি বিভাগৰ অধীনত নিযুক্তি পত্ৰ প্ৰদান কৰে। নিযুক্তিপ্ৰাপ্তসকলৰ ভিতৰত ৩০৬ গৰাকীয়ে শক্তি বিভাগৰ অধীতন অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু অসম বিদ্যুৎ সংবহন নিগম লিমিটেডৰ অধীনত কণিষ্ঠ প্ৰবন্ধক পদত নিযুক্তি লাভ কৰিছে। সেইদৰে ৫৯ গৰাকীয়ে কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ অধীনত সহকাৰী অধ্যাপক, ৫৮ গৰাকীয়ে উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত সহকাৰী অধ্যাপক, প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ৯ গৰাকীয়ে শিক্ষক, তিনিগৰাকীয়ে নিম্নবৰ্গৰ সহায়ক আৰু ১১ গৰাকীয়ে চতুৰ্থ বৰ্গৰ কৰ্মচাৰী, বিদ্যালয় শিক্ষা বিভাগৰ অধীনত ৯ গৰাকীয়ে  অসম শিক্ষা সেৱা বিষয়া হিচাপে নিযুক্তি লাভ কৰিছে। সেইদৰে তথ্য-জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰি বিভাগৰ অধীনত ৪ গৰাকীয়ে জ্যেষ্ঠ তথ্য আৰু জনসংযোগ বিষয়া আৰু ৬ গৰাকীয়ে কনিষ্ঠ তথ্য আৰু জনসংযোগ বিষয়া হিচাপে নিযুক্তি লাভ কৰিছে। নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে নৱনিযুক্তসকলক উদ্দেশ্যি বক্তব্য প্ৰদানৰ লগতে সকলোকে অভিনন্দন জ্ঞাপন কৰে। ইফালে মুখ্যমন্ত্ৰীয়ে সমগ্ৰ শিক্ষা-অসমৰ অধীনৰ মৃত কৰ্মচাৰী আৰু টেট উত্তীৰ্ণ ঠিকাভিত্তিক শিক্ষক-শিক্ষয়িত্ৰীৰ পৰিয়ালক ৫ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মৃত্যু প্ৰতিগৰাকী কৰ্মচাৰী আৰু শিক্ষক শিক্ষয়িত্ৰীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে তেওঁলোকৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰে।

০০০

সমগ্ৰ দেশতে আজি ২৫ সংখ্যক কাৰ্গিল বিজয় দিৱস পালন কৰা হৈছে। এই দিৱস উপলক্ষে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে সশস্ত্ৰ বাহিনীক কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ অসাধাৰণ শৌৰ্যক স্বীকাৰ কৰে। ১৯৯৯ চনত কাৰ্গিলৰ শিখৰত ভাৰত মাতৃক ৰক্ষা কৰাৰ স্বাৰ্থত সৰ্বোচ্চ ত্যাগ কৰা বীৰ জোৱানসকলৰ প্ৰতি তেওঁ সন্মান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কাৰ্গিল বিজয় দিৱস উপলক্ষে কাৰ্গিল যুদ্ধ স্মাৰক পৰিদৰ্শন কৰে। শ্ৰীমোদীয়ে দেশৰ বাবে সৰ্বোচ্চ ত্যাগ কৰা শ্বহীদ জোৱানসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও কাৰ্গিল বিজয় দিৱস উপলক্ষে শ্বহীদ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো কাৰ্গিল বিজয় দিৱস পালন কৰা হয়। এই উপলক্ষে গোলাঘাটত বীৰচক্ৰ কেপ্তেইন জিণ্টু গগৈৰ সমাধিক্ষেত্ৰত খুমতাইৰ জাছিংফা লেখিকা সমাৰোহৰ উদ্যোগত বিশেষ কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত খুমতাইৰ  বিধায়ক মৃনাল শইকীয়াৰ লগতে জিণ্টু গগৈৰ পৰিয়াল আৰু অঞ্চলবাসীয়ে অংশগ্ৰহণ কৰে। তেজপুৰতো শোণিতপুৰ জিলা যুৱ মৰ্চাই কাৰ্গিল বিজয় দিৱসৰ আয়োজন কৰিছে। এই অনুষ্ঠানত বিধায়ক পৃথ্বিৰাজ ৰাভা, পদ্ম হাজৰিকা আৰু গণেশ লিম্বু উপস্থিত থাকে। বজালীতো ভাৰতীয় জনতা যুৱ মৰ্চাৰ বজালী জিলা সমিতিয়ে বজালীৰ সাদেৰীত কাৰ্গিল বিজয় দিৱস অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত কাৰ্গিল যুদ্ধৰ বীৰ শ্বহিদ ভদ্ৰেশ্বৰ ৰয়ৰ পত্নী হীৰণ কুমাৰী ৰয় আৰু শ্বহিদ অজিত ঠাকুৰীয়াৰ পত্নী অঞ্জলি ঠাকুৰীয়া উপস্থিত থাকে।

০০০

পেৰিছ অলিম্পিকৰ উদ্বোধনী অনুষ্ঠান আজি ভাৰতীয় সময় অনুসৰি নিশা ১১ বজাত অনুষ্ঠিত হ'ব। ইতিহাসত প্ৰথমবাৰৰ বাবে এইবেলি মুকলি আকাশৰ তলত অলিম্পিক ক্ৰীড়া সমাৰোহৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাৰোহত অংশগ্ৰহণ কৰা দেশসমূহৰ প্ৰায় ১০ হাজাৰ ৫০০ গৰাকী খেলুৱৈক ১০০ খন নাৱেৰে পেৰিছৰ দৰ্শনীয় স্থল সমূহৰ ওচৰেৰে লৈ যোৱা হ'ব আৰু এইদৰে দেশসমূহৰ কুচকাৱাজ অনুষ্ঠিত হ'ব। অষ্টাৰলিট্‌জ দলঙৰ ওচৰত আৰম্ভ হৈ এই কুচকাৱাজৰ আইফেল টাৱাৰৰ ওচৰত অন্ত পৰিব। ইয়াৰ পাচতে অলিম্পিক শিখা প্ৰজ্বলন কৰা হ'ব আৰু তাৰ লগে লগে অলিম্পিক ক্ৰীড়া সমাৰোহৰ আনুষ্ঠানিক উদ্বোধন হ'ব।

উদ্বোধনী অনুষ্ঠানত বেডমিণ্টন তাৰকা পি ভি সিন্ধু আৰু টেবুল টেনিছ খেলুৱৈ শৰথ কমলে ভাৰতীয় দলৰ পতাকা বহন কৰিব। কুচকাৱাজৰ সময় ছোৱাত ভাৰতীয় দলৰ সদস্যসকলে দেশৰ পতাকাৰ আৰ্হিত প্ৰস্তুত কৰা পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰিব।

ভাৰতে এইবাৰৰ অলিম্পিকত ১১৭ জনীয়া দল প্ৰেৰণ কৰিছে। আৰ্চ্চাৰীত পুৰুষ আৰু মহিলা দলে ইতিমধ্যে কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। পুৰুষৰ দলটোৱে ২০১৩ পইণ্ট লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰাৰ বিপৰীতে মহিলা দলটোৱে ১৯৮৩ পইণ্ট লাভ কৰে। বক্সিঙত লাভলীনা বৰগোহাইয়ে অহা ৩১ জুলাইত নৰৱে'ৰ প্ৰতিদ্বন্দিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

পেৰিছৰ পৰা অলিম্পিকৰ উদ্বোধনী অনুষ্ঠান তথা বিভিন্ন প্ৰতিযোগিতা  সন্দৰ্ভত সাংবাদিক সুবোধ মল্ল বৰুৱাই এইদৰে কয়।

ভইছ

০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য

লোৱা হৈছে। ৩ মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতীয় দলে প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত ছেমি ফাইনেলত  ভাৰতীয় দলে বাংলাদেশৰ বিৰুদ্ধে ১০ উইকেটত জয়লাভ কৰে। খেলখনত বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ৮০ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতীয় দলটোৱে ১১ অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৮৩ ৰান সংগ্ৰহ কৰি বিজয়  সাবস্ত কৰে। ছেমিফাইনেলৰ আনখন খেল ক্ষন্তেক সময়ৰ পাছতে শ্ৰীলংকা আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে সন্ধিয়া সাত বজাত ভাৰত আৰু আনখন ছেমিফাইনেলত বিজয়ী দল দুটাৰ মাজত অনুষ্ঠিত হ'ব।

০০০

সমাপ্ত